# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 02-07-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

১। নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সাক্ষাৎ। ৰাজ্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পক লৈ আলোচনা।

২। ৰাজ্যৰ তথ্য প্ৰযুক্তি বিভাগ আৰু এইচ ডি এফ চি বেংকৰ যৌথ উদ্যোগত বিত্ত প্ৰযুক্তি সম্পৰ্কীয় দক্ষতা বিকাশৰ কাৰ্যসূচী।

৩। গ্ৰীষ্মবন্ধত বাধ্যতামূলক শ্ৰেণীৰ বাবে নিৰ্দেশনা জাৰি কৰা নাই বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ স্পষ্টীকৰণ।

৪। গোলাঘাটত মুখ্যমন্ত্ৰীৰ বাহনলৈ বটল নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত এতিয়ালৈ ৬ জন লোকক গ্ৰেপ্তাৰ।

*আৰু*

৫। এজবেষ্টনৰ দ্বিতীয় টেষ্টত ঘৰুৱা দল ইংলেণ্ডৰ টছত জিকি ভাৰতক বেট ধৰাৰ আমন্ত্ৰণ।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰে আৰু ৰাজ্যত কাম চলি থকা আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। বৈঠকত ৰাজ্যৰ ধ্বজাবাহী আন্তঃগাঁথনি প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে এই প্ৰকল্পসমূহৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহযোগিতা কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে প্ৰকল্পসমূহৰ কাম নিৰ্ধাৰিত সময়ত আৰু দক্ষতাৰে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সমৰ্থনৰ আশ্বাস দিয়ে। তেওঁ লগতে এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব, বাণিজ্য পথসমূহৰ সম্প্ৰসাৰণ ঘটাব আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াকো দেখা কৰে। তেওঁলোকে পুঁজি হস্তান্তৰ সন্দৰ্ভত অসমৰ অনন্য দিশ সম্পৰ্কে আলোচনা কৰে।

ড° শৰ্মাই লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ শ্ৰীজয়েশ ছাইনিৰ সৈতেও ৰাজ্যৰ দ্ৰুত বিকাশশীল স্বাস্থ্য সেৱা খণ্ডত অংশগ্ৰহণৰ উদ্দেশ্যে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ইপিনে, আই চি আই চি আই ফাউণ্ডেচন আৰু আই চি আই চি আই বেংকৰ এটা প্ৰতিনিধি দলে নতুন দিল্লীত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে আৰু অসমত চলি থকা ব্যৱসায়িক সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সম্পৰ্কে আলোচনা কৰে। বৈঠকত ৰাজ্য চৰকাৰ আৰু আই চি আই চি আই ফাউণ্ডেচনৰ যৌথ সহযোগিতাৰ সৈতে ব্যৱসায়িক – সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সমূহ অধিক শক্তিশালী কৰি ক্ষুদ্ৰ ঋণ গ্ৰহণকাৰীৰ বাবে সুলভ কৰাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ৰাজ্য চৰকাৰ তথ্য প্ৰযুক্তি বিভাগ আৰু এইচ ডি এফ চি বেংকৰ যৌথ উদ্যোগত বিত্ত প্ৰযুক্তি বিষয়ক দক্ষতা বিকাশৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তথ্যপ্ৰযুক্তি আৰু বিজ্ঞান মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত **জিলিঙণী** শীৰ্ষক এই কাৰ্যসূচী উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে বিত্ত প্ৰযুক্তি সম্প্ৰতি কৰপৰেট জগতৰ মূল চালিকা শক্তিৰূপে পৰিগণিত হৈছে আৰু ভৱিষ্যতে  দক্ষতা সম্পন্ন যুৱ প্ৰজন্মৰ বাবে খণ্ডটোৱে নিয়োগ আৰু উত্তৰণত অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলক বিত্ত সেৱা খণ্ডত ৰিয়েল ৱৰ্ড স্কীল আৰু নব্য বিকশিত প্ৰযুক্তিৰ অভিজ্ঞতা আহৰণেৰে বেংকিং তথা কৰ্পৰেট খণ্ডত নিযুক্তি লাভ কৰিব পৰাকৈ সাজু কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসমৰ অভিযান্ত্ৰিক এম চি এ, বি এছ চি,  তথ্য প্ৰযুক্তি আৰু আনুসংগিক শাখাৰ পাঠ্যক্ৰমৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকল এই কাৰ্যসূচীৰ পৰা উপকৃত হ'ব। তেওঁ কয়,¯যে অসমক ডিজিটেলভাৱে শক্তিশালী আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ প্ৰতি সম্পূৰ্ণৰূপে সাজু ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশৰ পৰা  এইচ ডি এফ চি বেংক আৰু অসম চৰকাৰৰ মাজৰ এই সহযোগিতা অতিকৈ গুৰুত্বপূৰ্ণ। এই দক্ষতা বিকাশ কাৰ্যসূচীয়ে বেংকিং প্ৰযুক্তি আৰু ডিজিটেল উদ্ভাৱনৰ ক্ষেত্ৰসমূহৰ মাজৰ  ব্যৱধান হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বি কল্যান চক্ৰৱৰ্তী, তথ্য প্ৰযুক্তি বিভাগৰ প্ৰধান সচিব কে এছ গোপীনাথ নাৰায়ণ, বিভাগীয় সচিব নন্দিতা দত্ত, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডং ৰমেশ চন্দ্ৰ ডেকা আৰু ৰাজ্য চৰকাৰৰ কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক ডং ইন্দিৰা গগৈ প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০

গ্ৰীষ্মবন্ধৰ সময়ত কোনো ধৰণৰ বাধ্যতামূলক শ্ৰেণীৰ বাবে বিদ্যালয় শিক্ষা বিভাগ বা সমগ্ৰ শিক্ষা অভিযানে কোনো নিৰ্দেশনা জাৰি কৰা নাই বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। তেওঁ অৱশ্যে বিদ্যালয় পৰিচালনা সমিতি আৰু বিদ্যালয় পৰিচালনা তথা উন্নয়ন সমিতিক গ্ৰীষ্মকালিন বন্ধৰ সময়ত স্বেচ্ছাই আগ্ৰহী শিক্ষকৰ জৰিয়তে পৰিপূৰক শ্ৰেণীৰ পাঠদান আৰু বিনোদনমূলক সহ পাঠ্যক্ৰমৰ কাৰ্যকলাপ অনুষ্ঠিত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে বুলি জানিবলৈ দিয়ে। পূৰ্বেও বিদ্যালয়সমূহে এনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

গুৱাহাটী মহানগৰীৰ পানীখাইটিত আৰক্ষী আৰু জিলা প্ৰশাসনে উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ ভূমিত উচ্ছেদ চলায়। প্ৰশাসনে  উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ দ্বৈত ৰেল লাইনৰ গাতে লাগি থকা কেইবাটাও বাসগৃহ উচ্ছেদ কৰে। উচ্ছেদ অভিযানত কেইবাটাও ব্যক্তিগত ছাত্ৰাবাস ভাঙি পেলোৱা হয়।

০০০০

ৰাজ্য চৰকাৰে বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে আধুনিক প্ৰযুক্তিৰে নতুন মথাউৰি নিৰ্মাণ কৰি প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। মন্ত্ৰী পীযুষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে জনতা ভৱনত এখন বৈঠকত মিলিত হৈ এই প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত বুজ লয়। প্ৰতিখন জিলাৰ অভিযন্তাসকলে এই বৈঠকত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। মন্ত্ৰী শ্ৰী হাজৰিকাই বৈঠকত  ৰাজ্যৰ বান, খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে চলি থকা প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি, অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। প্ৰত্যেকখন জিলালৈ পৰ্যাপ্ত সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰতো তেওঁ বৈঠকত গুৰুত্ব আৰোপ কৰে। তেওঁ চৰকাৰী

আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী ধনৰ যাতে অপচয় নহয়, সেই দিশত সজাগ হ'বলৈ বিষয়াসকলক আহ্বান জনায়।

০০০০

ৰাজ্যৰ প্ৰতিখন জিলাতে ১ জুলাইৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে শস্য বীমা সপ্তাহ, ২০২৫ অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বীমা কোম্পানীৰ উদ্যোগত কৃষকৰ মাজত শস্য বীমাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে চলোৱা এই অভিযানৰ অধীনত প্ৰত্যেক কৃষি উন্নয়ন চক্ৰত পঞ্চায়ত ভিত্তিত প্ৰচাৰ অভিযান ৰূপায়ণ কৰা হৈছে। অভিযানৰ অধীনত সংশ্লিষ্ট বিষয়াসকলে কৃষকসকলক শালিধান, মৰাপাট, মাটিমাহৰ দৰে খাৰিফ শস্যৰ বীমা সম্পৰ্কে অৱগত কৰে। তেওঁলোকে এই বীমা সুবিধা গ্ৰহণ কৰি কিদৰে উপকৃত হ'ব পাৰি, সেই বিষয়েও আলোকপাত কৰে।

০০০০

দেশভক্তি দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে অহা ২৭ জুলাইত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। স্বাধীনতা সংগ্ৰামী দেশভক্ত তৰুণৰাম ফুকনৰ নেতৃত্ব আৰু মাতৃভূমিৰ প্ৰতি তেখেতৰ অপৰিসীম শ্ৰদ্ধাক পুনৰ স্মৰণ আৰু সন্মান জনোৱাৰ প্ৰয়াস হিচাপে এই কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ নিয়মাৱলী অনুসৰি এটা দলত ৩ জন সদস্য থাকিব লাগিব। বিজয়ী প্ৰতিযোগীক এক লাখ টকাৰ নগদ পুৰস্কাৰ আগবঢ়োৱা হ'ব। আগ্ৰহীসকলে ১৫ জুলাইৰ ভিতৰত সম্পূৰ্ণ বিনামুলীয়াকৈ পঞ্জীয়ন কৰিব পাৰিব।

০০০০

ৰাজ্যত নিষিদ্ধ গো-মাংসৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। শ্ৰীভূমি জিলাৰ ৩ টাকৈ স্থানত আৰক্ষীয়ে অভিযান চলাই গো-মাংসসহ দুজন লোকক আটক কৰাৰ লগতে এজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে লগতে অভিযান চলোৱা হোটেলকেইখন চীল কৰি দিয়ে।

০০০০

শিৱসাগৰ জিলাৰ চেৰেকাপাৰৰ হাতীমুৰীয়া ঘাটত কালিৰ পৰা সন্ধানহীন হৈ থকা কিশোৰ দুজনক উদ্ধাৰ কৰাৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে অভিযান চলাই আছে। দিখৌ নৈত গা ধুবলৈ যোৱা একেখন বিদ্যালয়ৰ ৬ জন কিশোৰৰ দুজনৰ এতিয়ালৈকে সন্ধান পোৱা নাই। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা কিশোৰ দুজনৰ চাইকেল, স্কুল বেগ আৰু কাপোৰ উদ্ধাৰ কৰিছে।

০০০০

গোলাঘাটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাহনলৈ বটল নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত এতিয়ালৈ ৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি জিলাখনৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে আজি এখন সংবাদ মেলযোগে জানিবলৈ দিছে। ঘটনা সন্দৰ্ভত ৰাহুল ফুকনক জেললৈ প্ৰেৰণ কৰাৰ লগতে মূল অভিযুক্ত দীপাংকৰ ডেকা, ঋষিৰাজ বাৰতিয়াল, প্ৰাণ হৰি ফুকন, পংকজ গগৈ আৰু অৰিন্দম বৰিক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাক লৈ আন এক গোচৰ ৰুজু কৰা হ'ব বুলি আৰক্ষী অধীক্ষক ৰাজেন সিঙে সংবাদমেলত প্ৰকাশ কৰে।

বাইট ঃ ৰাজেন সিং

০০০০

পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকাম সমূহীয়া স্বাস্থ্য কেন্দ্ৰত আজি জিলাখনৰ প্ৰথমটো সৰ্পদংশনৰ চিকিৎসা কেন্দ্ৰ মুকলি কৰা হয়। জিলাখনৰ কোনো লোকক সৰ্পই দংশন কৰিলে ততালিকে এই কেন্দ্ৰলৈ আনিবলৈ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জগত সিং তেৰণে আহ্বান জনায়। পৰৱৰ্তী সময়ত জিলাখনৰ প্ৰতিখন চিকিৎসালয়ত সৰ্প দংশন চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেঁও প্ৰকাশ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অহা ৫ জুলাই, শনিবাৰে নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামৰ এজবেষ্টনত আৰম্ভ হৈছে। এইখন খেলতো ইংলেণ্ডৰ অধিনায়ক বেন ষ্ট'কে টচত জিকি ভাৰতক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতে ভোজন বিৰতিৰ আগলৈকে প্ৰথম ইনিংছত দুটা উইকেটৰ বিনিময়ত ৯৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অ'পেনাৰ য়শস্বী জয়ছোৱালে সুন্দৰ খেল প্ৰদৰ্শন কৰি অৰ্ধ শতৰান সংগ্ৰহ কৰে। কে এল ৰাহুলে মাত্ৰ দুই ৰান কৰি আউট হয়। আজি ভাৰতীয় দলত ৱাশ্বিংটন সুন্দৰ আৰু আকাশদীপক অন্তৰ্ভুক্ত কৰা হৈছে।

ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ২ টা উইকেট হেৰুৱাই ১২৭ ৰান কৰি খেলি আছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ